# দ্বিতীয় অধ্যায়

# দ্বিতীয় অধ্যায়
# ধ্বনিতাত্ত্বিক বিশ্লেষণ

**ধ্বনিতত্ত্ব ঃ**

চীন তিব্বতীয় ভাষা পৰিয়ালৰ অন্তৰ্গত বৰ্তমান উত্তৰ পূৰ্বাঞ্চলত প্ৰচলিত অন্যান্য জনজাতীয় ভাষাৰ দৰে মায়তৰি ৰাভা ভাষাতো বাকধ্বনিবোৰক প্ৰধানভাৱে দুটা ভাগত ভাগ কৰা হৈছে। সেই ভাগ দুটা ক্ৰমে (ক) স্বৰধ্বনি আৰু (খ)ব্যঞ্জনধ্বনি।

**২.১ স্বৰধ্বনি ঃ** বিশিষ্ট ধ্বনি বিজ্ঞানীসকলৰ মতে হাওঁফাওঁৰ পৰা ওলাই অহা বতাহৰ প্ৰবাহক জিভাৰ বিভিন্ন অংশৰ সঞ্চালনেৰে পৰিবৰ্ত্তিত কৰি যিবোৰ ধ্বনি সৃষ্টি কৰা হয়, সেইবোৰেই স্বৰধ্বনি[1]। মায়তৰি ভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা ৮টা যেনে- /অ, আ, ই, ই’, উ, উ’ /ঔ, এ, ও/’ এই আঠটা স্বৰধ্বনিক কিছুমান কূটচিহ্নৰ দ্বাৰা বুজোৱা হয়। তলত স্বৰধ্বনিৰ বৰ্ণ আৰু কূটচিহ্নৰ তালিকা এখন প্ৰস্তুত কৰা হ’ল।

| স্বৰধ্বনি | কূটচিহ্ন |
|---|---|
| অ / ɔ / | – |
| আ / *a* / | - া |
| ই / *i* / | - ি |
| ই’ / *t* / | -ি’ |
| উ / *u* / | - ু |
| উ’ /ঔ /w / | -ু/ৗ |
| এ / e / | - ে |
| ও / o / | - ো |

উল্লিখিত আঠটা স্বৰধ্বনিৰ ভিতৰত মায়তৰি ভাষাৰ ৬টা স্বৰধ্বনিয়ে অসমীয়া আদি আৰ্যভাৰতীয় ভাষাৰ লগত মিল আছে। বাকী / ই’/ আৰু / উ’ ধ্বনিহে মায়তৰি ভাষাৰ নিজস্ব ধ্বনি।

জিভাৰ  অৱস্থান আৰু উচ্চতা অনুসৰি মায়তৰি ভাষাৰ স্বৰধ্বনিসমূহক তলত দিয়া ধৰণে তালিকাভূক্ত কৰিব পাৰি।

| | বিবৃতৌষ্ঠ্য | | সংবৃতৌষ্ঠ্য | |
|---|---|---|---|---|
| | প্ৰান্তীয় | কেন্দ্ৰীয় | মূলীয় | সংবৃত্ত |
| উচ্চ | ই / *i* | | উ'/ঔ/w<br>উ / *u* / | সংবৃতাভাস |
| মধ্য | ই' / *t* / | | ও /o/ | বিবৃতভাস |
| | এ /E/ | | অ /ɔ/ | বিবৃত |
| নিম্ন | | | আ/ *a* / | |

২

### ২.১.১ স্বৰধ্বনিৰ শ্ৰেণীবিভাগ ঃ

গুণ অনুসৰি মায়তৰি ভাষাত স্বৰধ্বনি চাৰিটা ভাগত ভাগ কৰিব পাৰি। যেনে ঃ

১। **জিভাৰ অংশবিশেষৰ স্থান অনুসৰি ঃ**

ক) প্ৰান্তীয় (Front)

খ) কেন্দ্ৰীয় (Central)

গ) মূলীয় (Back)

২। **জিভাৰ অৱস্থানৰ উচ্চতা অনুসৰি ঃ**

ক) উচ্চ(High)

খ) মধ্য (Mean-mid)

গ) নিম্ন (Low)

৩। **মুখবিবৰৰ বিস্তৃতি অনুসৰি ঃ**

ক) সংবৃত্ত (Close)

খ) সংবৃতাভাস (Close-like)

গ) বিবৃতাভাস (Open-like)

ঘ) বিবৃত (Open)

৪। **ওঠ দুটাৰ আকৃতি অনুসৰি ঃ**

ক) বিবৃতৌষ্ঠ্য (Unrounded)

খ) সংবৃতৌষ্ঠ্য (Rounded)

প্ৰান্তীয় বিবৃতৌষ্ঠ উচ্চ স্বৰধ্বনি /ই/ ঃ

এই স্বৰধ্বনিৰ উচ্চাৰণৰ সময়ত জিভাখন ওপৰৰ পৰা তললৈ নমাই আনোতে দাঁত দুপাৰি আৰু ওঁঠৰ আকৃতি মেল খায়। যেনে ঃ

/ইছি / ইয়াত

/ইছিয়ান /ইয়াতেই

/ইনা / কয়

মধ্য প্ৰান্তীয় বিবৃতৌষ্ঠ্য স্বৰধ্বনি /এ / ঃ

ওঁঠ দুটা গোলাকাৰ কৰি মুখৰ পৰা বায়ুপ্ৰবাহ বাহিৰলৈ এৰি দিয়াৰ ফলত এনে স্বৰধ্বনিৰ উচ্চাৰণ কৰা হয়। যেনে ঃ

/ এৰং / ইহঁত

/ একেন / এনে

/ এনচেক /ইমান

নিম্ন কেন্দ্ৰীয় বিবৃতৌষ্ঠা স্বৰধ্বনি /আ / ঃ

এই ধ্বনিৰ উচ্চাৰণৰ সময়ত জিভাখনে সম্পূৰ্ণভাৱে তলত পৰি থাকি জিভাৰমূল কিছু পিছলৈ যোৱা যেনে লাগে। ওঁঠ দুটা নিৰপেক্ষভাৱে বৰ বেছি বহল হৈ পৰে। যেনে ঃ

/ আং / মই

/ আঙি / মোৰ

/ আছা / আশা

উচ্চ মূলীয় সংবৃতৌষ্ঠ্য স্বৰধ্বনি / উ / ঃ

এই ধ্বনি উচ্চাৰণৰ সময়ত ওঁঠৰ আকৃতি ঘোৰ খাই বায়ুপ্ৰবাহ বাহিৰলৈ এৰি দি উচ্চাৰণ কৰা হয়। যেনে ঃ

/ উনা / তাক

/ উছিনা / তালৈ

/ উৰান / তেখেতে

উচ্চমূলীয় বিবৃতৌষ্ঠ্য স্বৰধ্বনি / উ' /, /ঔ / ঃ

মায়তৰি ভাষাত এই ধ্বনি উচ্চাৰণৰ সময়ত জিভাৰ আগ বা মাজডোখৰে স্থান পায় যদিও ওঁঠৰ আকৃতি /উ/ধ্বনিৰ উচ্চাৰণৰ সময়ত ঘোৰ খোৱাৰ দৰেহে ঘহনি খায়। যেনে ঃ

/ ঔ / হয় / ওঁ

/ ঔহ / নহয়

/ ঔহম / ওঁম

মধ্য কেন্দ্ৰীয় সংবৃতোষ্ঠ্য স্বৰধ্বনি /ই' / ঃ

এই ধ্বনি উচ্চাৰণ জিভাৰ গুৰিতে হয় যদিও উচ্চাৰণৰ সময়ত জিভাৰ আকৃতি /ই/ বিবৃতৌষ্ঠ্য ধ্বনিৰ উচ্চাৰণ কৰাৰ দৰেহে মেল খায়। যেনে ঃ

/ই'ন / ক / ব্যক্তকৰ

/ই'নে / সমালোচিত / বুলি

/ ই'স্প্ৰা / তেন্তে / ইয়াৰ পিছত

মধ্যমূলীয় সংবৃতৌষ্ঠ্য স্বৰধ্বনি /ও / ঃ

এই ধ্বনিৰ উচ্চাৰণত জিভাৰ মূল তললৈ নমাই ওঁঠ দুটা অলপ বহল যদিও গোলাকাৰ কৰি উচ্চাৰণ কৰা হয় । যেনে -

/ ওঝা / ওজা / কবিৰাজ

/ ওকন / এনেই / এনেয়ে

/ ওকাচেকেনা / সেই সময়লৈকে / তেতিয়ালৈকে

নিম্নমূলীয় সংবৃত্তোষ্ঠ্য স্বৰধ্বনি /অ /ঃ

মূলজিভা একেবাৰে তললৈকে নামি আহি ওঁঠ দুটা গোলাকাৰ হৈ মুকলি হোৱাৰ ফলত এই ধ্বনিৰ উচ্চাৰণ হয়। যেনে ঃ

/ অৰং / সিহঁত

/ অনং / তেন্তে

/ অনাবা / তথাপি

**২.১.২ স্বৰধ্বনিৰ বিৰোধ প্ৰয়োগ ঃ**

মায়তৰি ভাষাত আঠটা স্বৰধ্বনিৰে আদি, মধ্য আৰু অন্ত্য স্থানত বিৰোধী প্ৰয়োগ হয়। তলত প্ৰত্যকটো স্বৰধ্বনিৰে বিৰোধ প্ৰয়োগ দেখুওৱা হ'ল ঃ

১। উচ্চ প্ৰান্তীয় বিবৃতোষ্ঠ্য স্বৰধ্বনি /ই// ঃ

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| /ইছ্ৰ / ঈশ্বৰ | / ঘিৰায় / মেৰিয়াই | / নামৰি / কানফুলি |
| / ইনি / এওঁৰ | / ঘিকান / কাষত | / নাৰি / কোমলীয়া কুঁহি |
| / ইকায় / এইটো | / নিংগি / ভাগৰ | / মাৰি / বুঢ়ী |

উচ্চমূলীয় সংবৃতৌষ্ঠ্য স্বৰধ্বনি / উ/ ঃ

এই স্বৰধ্বনি সকলো স্থানতে প্ৰয়োগ ঘটিব পাৰে। যেনে ঃ

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| / উছি / তাত | / চুংগিৰ / ডাঙৰীয়া | / চু / ওখ হ |
| / উনি / তাৰ | / চুনি / চুণ | / ছু / হান, খোঁচ |
| / উনাবা / তথাপি | / চুংব্ৰং / লহপহকৈ বাঢ়ি অহা | / থু / দ, গভীৰ |

উচ্চমূলীয় সংবৃতৌষ্ঠ স্বৰধ্বনি /উ, ঔ/ / ঃ

এই ধ্বনি শব্দৰ সকলো স্থানতে প্রয়োগ হ'ব পাৰে ঃ যেনে ঃ

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| /ঔই /হেৰী | / কৌপ্ / ঢাক | / খ্ৰৌ / সিচ |
| /ঔৰ্দি /মানসা | /কৌম্বি / কমগছ | /গ্ৰৌ/পিহ |
| /ঔহম্ /ওঁম | /তৌকাৰ /দাইনী | /ত্ৰৌ/ঢাল |

মধ্যকেন্দ্ৰীয় সংবৃতৌষ্ঠ্য স্বৰধ্বনি /ই' / ঃ

এই ধ্বনিৰো সকলো স্থানত প্রয়োগ হয়। যেনে ঃ

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| /ই'ন /ক, ব্যক্তকৰ | /কি'চাক/আদেশ কৰ | /ৰি'/চপা |
| /ই'নে / বুলি | /কি'চাং/পাৰ, দাঁতি | /খি' /তেঙা |
| /ই'নমাছা /সমালোচিত হ | /চি'কঙ/পিয়াহ | /ছি' / তেজ |

মধ্যপ্রান্তীয় বিবৃতৌষ্ঠ্য ধ্বনি /এ/ ঃ

মায়তৰি ভাষাত এই স্বৰধ্বনিৰ প্রয়োগ সকলো স্থানত হয়। যেনে -

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| /একেন / এনে | /চেপ /চাপ খুৰা | /খে /চল, শুদ্ধ |
| /একাতাং /এইখিনি | /চেৰ / ফাট খা | /থে / ফল |
| /এথেং /এনেদৰে | /চেপক /স্বাদহীন, পনীয়া | /গে /হেনো, কিজানি |

মধ্যমূলীয় সংবৃতৌষ্ঠ্য স্বৰধ্বনি /ও / ঃ

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| /ওকন /এনে | /চোং /পক | /তো /চৰাই |
| /ওকায় / সেইটো | /গোধা /গছৰশিপা, আলু | /কো /পেলা |
| /ওক্জা / সিমান | /গোং /মান্তি হ | /মো /নুমা, লৰা |

নিম্নমূলীয় সংবৃতৌষ্ঠ্য স্বৰধ্বনি /অ / ঃ

| <u>আদিস্থান</u> | <u>মধ্যস্থান</u> | <u>অন্তস্থান</u> |
|---|---|---|
| /অনং /তেন্তে | /ধৰায় / গাভৰু | /ৰ/ সিজ |
| /অনাবা /তথাপি | /চং /আৰম্ভ | /খ /খান্দ |
| /অয়না /অন্যায় | /তং /থাক | /ব /মাছ আদি মাৰ |

নিম্নমূলীয় বিবৃতৌষ্ঠ্য স্বৰধ্বনি /আ / ঃ

| <u>আদিস্থান</u> | <u>মধ্যস্থান</u> | <u>অন্ত্যস্থান</u> |
|---|---|---|
| /আতো /কি | /চাং /কোন | /ৰা /ল |
| /আনা /কিয় | /চাঙি /কাৰ | /থা /বলিদে |
| /আঙি /মোৰ | /চাবান /পিছত | /ফা /বমিকৰ |

**২.১.৩ অন্তঃস্থ ধ্বনি ঃ**

অন্তঃস্থ ধ্বনি ৰীতিয়ে মায়তৰি ভাষাত এক বিশেষ স্থান অধিকাৰ কৰি আছে। মায়তৰি ভাষাত অন্তঃস্থ ধ্বনি তিনিটা। যেনে ঃ ?, য়, আৰু ৱ। এই তিনিটা অন্তঃস্থ ধ্বনিয়ে বিশিষ্ট ধ্বনি আৰু এইবোৰৰ সকলোৰে ধ্বনি বিৰোধ ঘটে। যেনে-

√ খা (তিত) ঃ খা - আ 〉খা ? আ (তিতা হ)

√ খায় (বন্ধি থ) ঃ খা 〉খায়া (ভাঙি, খহি যোৱা)

√ খাও (বাকলি গুচ) ঃ খাও-আ 〉খাওৱা (বাকলি গুচোৱা)

**২.১.৪ দ্বিস্বৰ ঃ** স্বৰ আৰু অন্তঃস্থ ধ্বনিৰ সংযুক্ত ৰূপকে দ্বিস্বৰ ধ্বনি বুলি কোৱা হয়।[৩] মায়তৰি ভাষাত এনে দ্বিস্বৰৰ প্ৰয়োগ আছে। তাৰে কিছুমান উদাহৰণ তলত দিয়া হ'ল ঃ

/ কায় / মানুহ / আ ই /

/ম্ৰেও /জ্বলাভাৰ /এ ও /

/ প্ৰাও / মাত / আ ও /

/ ইয়া / হয়নে / ই আ /

/ কুই /তামোল / উ ই /

**২.১.৫ ত্রিস্বৰ ঃ**

ত্রিস্বৰত তিনিটা স্বৰধ্বনি একেলগে থাকি একোটা অক্ষৰৰ অক্ষৰাধাৰ হিচাপে পৰিগণিত হব পাৰে। এনে তিনিটা ধ্বনিৰ সংযুক্ত ৰূপকে ত্রিস্বৰ ধ্বনি বুলি কোৱা হয়।[৪]

এইবোৰক শব্দ বিৰোধৰ পৰা চিনাক্ত কৰিব পাৰি। যেনে ঃ

/বাওৰা / দেউতা / আ ও আ /

/ লেওৰা / লতা / এ ও আ /

/ বিয়াই / বিয়ৈ / ই আ ই /

/ ঘাছুৰি / অকামিলা, অকাজি / আউ ই /

/ আও ৰা / চিঞৰে / আ ও আ/

**২.১.৬ চতুস্বৰ ঃ** কেতিয়াবা একেটা অক্ষৰ আৰু একেটা হৃৎস্পদনতে চাৰিটা স্বৰধ্বনিৰ উচ্চাৰণ হৈ এটা মাথোন অক্ষৰাধাৰ হ'ব পাৰে। সেয়ে এনে চাৰিটা ধ্বনিৰ সংযুক্ত ৰূপকেই চতুঃস্বৰ ধ্বনি বুলি কব পাৰি। মায়তৰি ভাষাত প্ৰচলিত এনে চতুঃস্বৰৰ প্ৰয়োগ তলত দিয়া হ'ল । যেনে ঃ

/ ছেওমানি / সন্মানীয় / এ ও আ ই /

/ তেনিগাপ্নি / সাম্প্ৰতিক / এ ই আ ই /

/মাওৰাই / আমৈ / আ ও আ ই

/ হাদাবুৰি / ধূলি / আ আ উ ই / ইত্যাদি।

**২.২ ব্যঞ্জনধ্বনি ঃ** হাওঁফাওঁৰ পৰা ওলাই অহা বতাহৰ প্ৰবাহক আংশিক বা সম্পূৰ্ণৰূপে ৰোধ কৰি যিবোৰ ধ্বনি সৃষ্টি কৰা হয়, সেইবোৰেই ব্যঞ্জন ধ্বনি।[৫] মায়তৰি ভাষাত ২২ টা বিশিষ্ট ব্যঞ্জনধ্বনি আছে। সেইবোৰ হ'ল-প, ফ, ব, ভ, ত, থ, দ, ধ, ক, খ, গ, ঘ, চ, ছ, জ, ঝ, য, ন, ঙ, হ, ল, ৰ ইত্যাদি।

তলত উল্লেখ কৰা তালিকাৰ যোগেদি ব্যঞ্জনধ্বনিৰ পৰিচয় দিয়া হ'ল-

| | দ্বৌষ্ঠ বা ওষ্ঠ্য | | দন্তমূলীয়-তালব্য | | পশ্চতালব্য | | কণ্ঠ্য | |
|---|---|---|---|---|---|---|---|---|
| স্পৰ্শধ্বনি | অঘোষ | সঘোষ | অঘোষ | সঘোষ | অঘোষ | সঘোষ | অঘোষ | সঘোষ |
| অল্পপ্ৰান | প /p/ | ব /b/ | ত /t/ | দ/d/ | ক /t/ | গ/d/ | | |
| মহাপ্ৰান | ফ /ph/ | ভ /bh/ | থ /th/ | ধ/dh/ | খ/th/ | ঘ/dh/ | | |
| স্পৃষ্ঠধ্বনি<br>অল্পপ্ৰাণ | | | চ /tc/ | জ/dz/ | | | | |
| মহাপ্ৰাণ | | | ছ /ts/ | ঝ/dzh/ | | | | |
| নাসিক্য | | ম /m/ | | ন /n/ | | ঙ /*h*/ | | |
| উষ্ম | | | | | | | হ /h/ | |
| পাৰ্শ্বিক | | | | ল /ℓ/ | | | | |
| কম্পিত | | | | ৰ /℘/ | | | | |

৬

উক্ত তালিকাৰ পৰা এই কথা স্পষ্ট হ'ল যে মায়তৰি ভাষাৰ ব্যঞ্জন ধ্বনিবোৰ অল্পপ্ৰাণ, মহাপ্ৰাণ, অঘোষ আৰু সঘোষ ধ্বনি। এইবোৰৰ সকলো ব্যঞ্জন ধ্বনিয়ে এই ভাষাত শব্দৰ সকলো স্থানতে বিৰোধ প্ৰয়োগ হয়। কিন্তু অন্ত্যস্থানত প্ৰয়োগ হোৱা মহাপ্ৰাণ ধ্বনিয়ে অল্পপ্ৰাণৰ লগত পৰিপুৰক হিচাপে প্ৰয়োগ ঘটে।

**২.২.১ ব্যঞ্জন ধ্বনিৰ শ্ৰেণীবিভাজন ঃ**

মায়তৰি ভাষাত ব্যঞ্জন ধ্বনিবোৰক উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ ধৰণ অনুসৰি তলত দিয়া ধৰণে ভাগ কৰা হৈছে।

**উচ্চাৰণৰ স্থান ঃ**

ক) দ্বৌষ্ঠ্য বা ওষ্ঠ্য।

খ) দন্তমূলীয় তালব্য।

গ)	পশ্চতালব্য আৰু

ঘ)	কণ্ঠ্য বা কণ্ঠীয়।

**২.২.২ উচ্চাৰণৰ ধৰণ অনুসৰি ঃ**

ক)	স্পর্শধ্বনি

খ)	স্পৃষ্ট ধ্বনি

গ)	নাসিক্য ধ্বনি

ঘ)	উষ্মধ্বনি।

ঙ)	পাৰ্শ্বিকধ্বনি।

চ)	কম্পিতধ্বনি।

**স্পর্শধ্বনি ঃ**

মায়তৰি ভাষাত স্পর্শ বা নিয়ত বা স্ফোটধ্বনিবোৰ হ'ল প, ফ, ব, ভ, ত, থ, দ, ধ, ক, খ, গ, ঘ আদি। এই আটাইবোৰ ধ্বনি উচ্চাৰণৰ সময়ত বায়ু প্ৰবাহক সম্পূৰ্ণকৈ ৰোধ কৰা হয়। যেনে ঃ

/ পাৰ / ফুল	/ বাৰ / ঘুৰি আহ

/ ফাৰ / ৰাতি	/ তান / থ

/ দাম / বিছনা

/ ধৰায় / গাভৰু

/ কালাম / জ্বৰ

/ খাৰ / কৰ

/ গাফুং / কাইলৈ

/ ঘাৰায় / ঘা	ইত্যাদি শব্দৰ ব্যৱহাৰ মায়তৰি ভাষাত পোৱা যায়।

**স্পৃষ্টধ্বনি ঃ**

চ, ছ, জ, ঝ আদি স্পৃষ্টধ্বনি। এইবোৰ ধ্বনি উচ্চাৰণৰ ক্ষেত্ৰত প্ৰথমাৱস্থাত জিভাৰ আদি অংশ ওপৰলৈ উঠাই দন্তমূলক স্পর্শ কৰি বায়ুপ্ৰবাহক ৰোধ কৰে, কিন্তু পিছত সমগ্ৰ জিভাদলে একেলগে

ওপৰলৈ উঠি কঠিন তালুৰ কাষত স্থগিত হৈ ৰয়। যেনে -

/ চায় / গীত

/ ছান / দিন, দুপৰীয়া

/ জাৰ / পলা

/ ঝৰা / নিজৰা, ইত্যাদি।

**নাসিক্য ধ্বনি ঃ**

মায়তৰি ভাষাত নাসিক্য ধ্বনিবোৰ হ'ল ম, ন আৰু ঙ, এই ধ্বনিবোৰৰ উচ্চাৰণৰ সময়ত অসমীয়া ভাষাৰ দৰে মায়তৰি ভাষাতো সমানে নাসিকাবিবৰে ভূমিকা লয়। তলত মায়তৰি ভাষাত নাসিক্যধ্বনিৰ ফলত ব্যৱহাৰ হোৱা কিছুমান শব্দৰ উদাহৰণ দিয়া হ'ল।

/ মুং / নাম

/ নং / ইচ্ছা

অৰশ্যে নাসিক্য ধ্বনি / ঙ /ৰ আদি অক্ষৰত বিৰোধ নঘটে। মধ্য আৰু অন্ত্যস্থানতহে ইয়াৰ বিৰোধ ঘটে। যেনে- / ৰিঙ্ / পি

/ ছিঙা / সূধিব আদি।

**উষ্মধ্বনি ঃ**

মায়তৰি ভাষাত উষ্ম ধ্বনি মাত্র এটা। সেই ধ্বনিটোৱে হ'ল / হ / ধ্বনি।

/ হক / বকনি

/ হাকাপ / পাৰ, দাঁতি।

**পাৰ্শ্বিক ধ্বনি ঃ**

আলজিভাৰে কোমল তালুক স্পৰ্শৰ ফলত উচ্চাৰিত ধ্বনিয়ে পাৰ্শ্বিক ধ্বনি। মায়তৰি ভাষাত পাৰ্শ্বিক ধ্বনি হ'ল - / ল / ।

/ লকক্ / ঢিলা

/ লন্দ্ৰায় / মেৰিয়া

**কম্পিত ধ্বনি ঃ**

আগজিভাখন তালুত স্পৰ্শ হোৱাৰ ফলত উচ্চাৰণৰ স্থানত এটা কোব মৰাৰ দৰে লৰাই উচ্চাৰিত হোৱা ধ্বনিয়ে কম্পিত ধ্বনি। মায়তৰি ভাষাৰ কম্পিত ধ্বনি /ৰ/। এই ধ্বনি উচ্চাৰণৰ ফলত সৃষ্টি হোৱা শব্দবোৰ হ'ল-

/ ৰাক্ / কঠিন

/ ৰাখা / পেলা, ত্যাগ কৰ

/ ৰাং / বৰষুণ ইত্যাদি।

**দ্বৌষ্ঠ্য বা ওষ্ঠ্য ধ্বনি ঃ**

ওঁঠ দুটাৰ স্পৰ্শৰ ফলত উচ্চাৰিত হোৱা ধ্বনিসমূহে দৌষ্ঠ্য বা ওষ্ঠ ব্যঞ্জন ধ্বনি। প, ফ, ব, ভ আদি মায়তৰি ভাষাৰ দ্বৌষ্ঠ্য বা ওষ্ঠ ব্যঞ্জনধ্বনি।এই ধ্বনিৰ ব্যৱহাৰ হোৱা শব্দৰ সংখ্যা বহুপৰিমাণে পোৱা যায়। যেনে -

/ পাৰ / ফুল

/ ফাং / গছ

/ বাৰ / জুই

/ ভাং / ভেটা দে, ভেদ

/ ভং / লগপা

**দন্তমূলীয় ব্যঞ্জন ধ্বনি ঃ**

আলজিভাৰে তালুত স্পৰ্শ হৈ কিছুমান ধ্বনি উচ্চাৰণ হয়।এইবোৰ ধ্বনিৰ নামেই দন্তমূলীয় ব্যঞ্জনধ্বনি।মায়তৰি ভাষাৰ দন্তমূলীয় ব্যঞ্জনধ্বনিবোৰ হ'ল ত, থ, দ, ধ আদি।এনে ধ্বনিৰ ফলত সৃষ্টি হোৱা শব্দবোৰ হ'ল-

/ তপাক / পখিলা

/ থাল / কাহি

/ দখম / পিৰা

/ ধৰায় / গাভৰু

**পশ্চতালব্য ধ্বনি ঃ**

পাছজিভাৰে কোমল তালুত বায়ুপ্ৰবাহ ৰোধ কৰি উচ্চাৰণ কৰা ধ্বনিসমূহে পশ্চতালব্য ব্যঞ্জন ধ্বনি। ক, খ, গ, ঘ আদি এই ভাষাৰ পশ্চতালব্য ধ্বনি। যেনে ঃ

/ কামাং / নামনি

/ খচেং / ফনি

/ গাফুং / কাইলৈ

/ গাৰায় / গালি আদি শব্দৰ ব্যৱহাৰ পশ্চতালব্য ধ্বনিৰ পৰা হয়।

**কণ্ঠধ্বনি ঃ**

হাওঁফাওঁৰ পৰা বাহিৰলৈ ওলাই অহা বায়ুপ্ৰবাহে কণ্ঠনলীত ঘৰ্ষণ হৈ সৃষ্টি কৰা ধ্বনিয়েই কণ্ঠধ্বনি। /হ/ মায়তৰি ভাষাৰ এক মাত্ৰ কণ্ঠধ্বনি। এই ধ্বনিৰ ফলত সৃষ্টি হোৱা শব্দ মায়তৰি ভাষাত ঢেৰ পোৱা যায়।

যেনে -

/ হা /মাটি

/ হাচু / পাহাৰ

/ হাকাপ / পাৰ

/ হাদাবুৰ / ধূলি

**২.২.৩ ব্যঞ্জনধ্বনিৰ বিৰোধী প্ৰয়োগ ঃ**

উল্লিখিত ব্যঞ্জনধ্বনি সমূহৰ ভিতৰত /ঙ/, /হ/ঝ/ধ্বনিৰ বাহিৰে সকলোবোৰ ব্যঞ্জনধ্বনিৰে অভিন্ন আৰু সদৃশ পৰিবেশত আদি, মধ্য আৰু অন্ত্যস্থানৰ বিৰোধী প্ৰয়োগ হয়। তাৰে তলত কিছুমান উদাহৰণসহ সংক্ষিপ্ত বিৱৰণ দিয়া হ'ল।

**দ্বৌষ্ঠ্যব ওষ্ঠ্য স্পৰ্শ অল্পপ্ৰাণ অঘোষধ্বনি /প/ ঃ**

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| /পৰায় / পঢ় | /তপাক /পখিলা | /ফাপ/ উপচি পৰা |
| / পাকজা /বস্তু | / তপক / তিয়া | /হাকাপ /পাৰ |
| / পচো / আম | / তাপান / শীঘ্ৰে | / থোপ / বাহ |

**দ্বৌষ্ঠ্য বা ঔষ্ঠ্য স্পৰ্শ মহাপ্ৰাণ অঘোষ ধ্বনি /ফ/ ঃ**

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| /ফাচি / বৰষুণ | /চথং/ পোনহৈ বহ | /জিৰাফ /জিৰাফ |
| /ফক /উভাল | /আফে /তৰা | /মাফ /ক্ষমা |

**দৌষ্ঠ্য বা ঔষ্ঠ্য স্পশ অল্পপ্ৰাণ সঘোষধ্বনি /ব/ঃ**

| আদিস্থান | মধ্যস্থান | অন্তস্থান |
|---|---|---|
| /বাম্বুৰ / বাওঁনা | /চাবান /পিছত | /গৰিব / দুখীয়া |
| / বাম / পিঠা | / চাবেক / তুঁহ | / গাব / ৰং |
| / বাকক / চূঙা | / খবক্ / পকাচুলি | / দাব / ডাৰ |

**দৌষ্ঠ্য বা ঔষ্ঠ্য স্পৰ্শ মহাপ্ৰাণ সঘোষ ধ্বনি / ভ / ঃ**

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| / ভং / লগপা | / কেভাক / ভাজকৰ | / লাভ / ≈ লাব (ঋণ) |
| / ভাক / ফাক কৰ | / আভাক / মুকলি আহল, বহল | / ছাম্ভু / এবিধ বিষাক্ত ৰঙা পৰুৱা |
| / ভেন্দা /এৰাগছ | /আভিৰ / আবিৰ | /লুভ / লোভ |

**দন্তমূলীয় - তালব্য স্পৰ্শ অল্পপ্ৰাণ অঘোষধ্বনি / ত / ঃ**

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| / তাছি / হাত | /আতানা / কিয় | /ছেংকাপাত/কঁকালত পিন্ধা সূতা |
| /তপক /জিকাই থ | /আতাক / এবিধ গছ | / ছেত / সিঁচ |
| /তৰায় / ভিন্দি | /ফাতাকা /ছিঙিদে | /জাত /মাতৃবংশ |

**দন্তমূলীয়তালব্য স্পৰ্শ মহাপ্ৰাণ অঘোষ / থ ঃ**

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| /থু চি /তেল | /পাথাৰ / পথাৰ | /মথ /মঠ |
| /থাৰায়/ছাফা কৰ | /বাথেপ /বন্ধ কৰ | /খাথ /খাট |
| /থাপ্ৰায় /চৰিওৱা | /খাঁথাৰ /শুচিকৰ | /ৰথ /ৰথ |

**দন্তমূলীয় তালব্য স্পৰ্শ অল্পপ্ৰাণ সঘোষধ্বনি /দ/ ঃ**

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| /দগো /ওলা | /মাদুগ্ৰাক / কৃপন | /জেদ/প্ৰতিযোগিতা |
| / দৰ / কোমল | /চাদপ /পতান | /দ'দ /বুকুত মেৰিয়াই লোৱা এবিধ কাপোৰ |
| /দীমবায় /কুঁলি | /ছাদাৰ /আগ্ৰহী হ | /ছোদ /সোৱাদ |

**দন্তমূলীয় তালব্য স্পৰ্শ মহাপ্ৰাণ সঘোষধ্বনি /ধ/ ঃ**

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| /ধৰায় / গাভৰু | /মাধা /ভালুক | /বোধ / $\approx$ বোদ |
| /ধাপাক /বহল | /বাধা /ৰভা | |
| /ধুমা /ধোৱা | /গাধা / গাধ | |

অন্ত্যস্থানত /ধ/ৰ প্ৰয়োগ প্ৰচুৰ নহয়।

**পাশ্চতালব্য স্পৰ্শ অল্পপ্ৰাণ অঘোষ ধ্বনি /ক/ঃ**

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| /কান /শৰীৰ | /ফাকাম /দাঁত | /নবেক /ঝাৰু |
| /কিৰ /ভয়খা | /মাকান /মাংস | /বাকক্ / চুঙা |
| /কুচাৰ / ওঁঠ | /তিকাম /মূৰ | /চাৰিপাক / প্ৰাণ |

**পশ্চতালব্য স্পৰ্শ মহাপ্ৰাণ অঘোষ ধ্বনি /খ/ ঃ**

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| /খাও/বাকলি গুচা | /আখাঞ্জি /এলান্ধু | /ৰংখ /শিল, পাথৰ |
| /খাপাক /হৃদয়, বুকু | /দখম /পিৰা | /মায় খ /ভাতবাৰ |
| /খাপ /কান্দ | /চাখাম / পদ চিহ্ন | /বুখ / ভোক |

**পশ্চতালব্য স্পৰ্শ অল্পপ্ৰাণ সঘোষ ধ্বনি /গ / ঃ**

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| / গদবায় / ঘোলাকাৰ | / ফাগং / দাঁতুৰা | / ভাগ - ভাক / ঋণ |
| / গজক / এৰি দে | / আগেৰ / কজলা | / থগ / সুশ্ৰী |
| / গাকছুক / উজুটি খা | / ভাগুৰা / আধি | / ভোগ / প্ৰসাদ |

**পশ্চতালব্য স্পৰ্শ মহাপ্ৰাণ অঘোষ ধ্বনি /ঘ/ ঃ**

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| / ঘাছুৰি /অকাজী | /নঘৰ /গৰাল | / মাঘ ~ মাক / ঋণ |
| / ঘাৰায় / ঘা | / আঘন / আঘোন | |
| / ঘেৰক / ঘিলা | / ঘৰ্ঘুৰা / এবিধ বনৰীয়া ফল | |

**দন্তমূলীয় তালব্য স্পৃষ্ঠ্য অল্পপ্ৰাণ অঘোষ ধ্বনি / চ / ঃ**

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| / চথং/পোন হৈ বহ | /খচেং /ফনি | /তাচ /তাজ |

| | | |
|---|---|---|
| /চৰেং / জাকৈ | / নাচংনা / শিঙীমাছ | /ৰ'চ / কুঁলি ধৰ |

**দন্তমূলীয় তালব্য স্পৃষ্ঠ মহাপ্ৰাণ অঘোষ ধ্বনি /ছ/ ঃ**

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| / ছাম / ঘাঁহ | / খুছুং / কাছ | / পীছ /অভ্যস্ত |
| / ছান / খাৰু | / খাছিক / তিত হ | / উকুছ পুকুছ /উছ-পিছ |
| / ছাক / ৰঙা | / উছিনা / তালৈকে | / ৰায়কছ /খকুৱা |

**দন্তমূলীয় তালব্য স্পৃষ্ঠ অল্পপ্ৰাণ সঘোষ ধ্বনি / জ /ঃ**

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| / জক / মুকলি হ | / মাজাৰি / মাজত | / বুজ / বুজি পা |
| / জনম / জন্ম | / মাজং / বৰমা, জেঠী | / কাওদা / কিতাপ |
| / জিক্‌ছায় / দম্পতীহাল | / ফাজং / বৰদেউতা, জেঠা | /কবিৰাজ / বেজ, বেজালি |

**দন্তমূলীয় তালব্য স্পৃষ্ঠ মহাপ্ৰাণ সঘোষ ধ্বনি / ঝ /ঃ**

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| / ঝংকায় / জকোৱা | / চুঝায় / কাঁইটীয়া গছ | -------- |
| / ঝৰা / নিজৰা | / মঝায় / মজি, জমি যা | -------- |
| / ঝাজি / জাবৰ | / চাঝি / লেতেৰা | -------- |

**দ্বৌষ্ঠ্য নাসিক্য সঘোষ ধ্বনি / ম /ঃ**

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| / মায় / ধান, ভাত | / দুমছি / দমাহী | / খাঁ'ছাম / গধুলি |
| / মাক্ৰা / বান্দৰ | / তমো / লৰাই দে | / কুচেম / মুখ |
| / মুকেন / চকু | / তুমুক / এবিধ চৰাই | /ৰাছাম / ৰাখ, থ |

**দন্তমূলীয় তালব্য নাসিক্য  সঘোষ ধ্বনি / ন /ঃ**

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| / নায় / পোহৰ হ | / ফান / অনুসন্ধান কৰ | / কান / শৰীৰ |
| / নাকৰ / কাণ | / ৰান / শুকান হ | / খান / কাট |
| / নাত্ৰায় / আতৰত, দূৰত | / মান্দাৰ / মদাৰ | / মান / পা |

**পশ্চতালব্য নাসিক্য সঘোষ ধ্বনি / ঙ /ঃ**

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| -------- | / হোঙা / সেইফালে | / ছোং / গাওঁ |
| -------- | / লাঙা /  মহাদেৰ | /ভং / নগপা |
| -------- | / ৰাঙা / নিবলৈ | /ৰাং / বৰযুণ |

**কণ্ঠ উষ্ম অঘোষ ধ্বনি / হ /ঃ**

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| / হাকাপ  / পাৰ | / মহৰ / মোহৰ | - |
| / হাখান / উইহাফলু | / মহল / মোহিনী | - |
| / হা / মাটি | / লাহা / লা | - |

**দন্তমূলীয় তালব্য পাৰ্শ্বিক সঘোষ ধ্বনি / ল /ঃ**

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| / লাখৰ / গৰখীয়া | / বলা / বৰল | /  থাল / কাঁহি |
| / লাৰিকায় / বিধৰা | / বলায় / বশকৰ | / বৌল / শক্তি |
| / লন্দ্ৰায় / মেৰিয়াই | / দলায় /  নৰম কৰ | / মৌল / সৰু |

**দন্তমূলীয় তালব্য কম্পিত সঘোষ ধ্বনি / ৰ /ঃ**

| আদিস্থান | মধ্যস্থান | অন্ত্যস্থান |
|---|---|---|
| / ৰাম / ৰাস্তা, পথ | / কাৰায় / ওপৰত | / ভেৰ / পিতনি |
| / ৰাম্পাৰ / বতাহ | / খাৰা / থিয় | / ইছ্ৰ / ঈশ্বৰ |
| / ৰাছং / গৌৰৱ | / বৰায় /আকোঁৰগছ | /বৰ / খজুৰতি হ |

ওপৰৰ আলোচনাৰ জৰিয়তে এটা কথা স্পষ্ট হ'ল যে এই ভাষাত /ঙ/ধ্বনিৰ আদি স্থানত, /হ/ /ঝ/ধ্বনিৰ অন্ত স্থানত ধ্বনি বিৰোধ নঘটে। ইয়াৰ বাহিৰে প্ৰায় আটাইবোৰ ধ্বনিৰে স্বতন্ত্ৰ আৰু ঋণ কৰা শব্দৰ সকলো স্থানতে ধ্বনিৰ বিৰোধী প্ৰয়োগ হয়।

**২.৩ যুক্ত ব্যঞ্জন ধ্বনি ঃ**

এটাতকৈ বেছি বৰ্ণ অৱস্থান হৈ ধ্বনি গুণৰ যোগেদি বৰ্ণক মূল্যায়ণ কৰাকেই যুক্ত ধ্বনি বুলি ক'ব পাৰি । মায়তৰি ভাষাত দুই বা ততোধিক বৰ্ণ লগ লগাৰ ফলত যুক্ত ধ্বনি গঠিত হয়। যুক্ত ধ্বনিবোৰ শব্দৰ আদি, মধ্য আৰু অন্ত্যত ব্যৱহাৰ হ'ব পাৰে। /ল, ৰ, ম, ন, দ /আদি তৰল ধ্বনিবোৰ অন্যান্য কঠিন ব্যঞ্জনবৰ্ণৰ লগত সংযুক্ত ধ্বনিৰ সৃষ্টিয়ে হ'ল মায়তৰি ভাষাৰ সংযুক্ত ধ্বনিৰ এক উল্লেখনীয় বৈশিষ্ট্য।

মায়তৰি ভাষাত /ৰ/ধ্বনি আটাইবোৰ ব্যঞ্জন ধ্বনিৰ ভিতৰতে তৰল। এই ধ্বনি আটাইবোৰ ব্যঞ্জন ধ্বনিৰ লগতে সংযুক্ত হ'ব পাৰে। শব্দৰ আদিত সংযুক্ত হ'লে (৴) কাৰ আৰু অন্তত সংযুক্ত হ'লে (‿)কাৰৰ দৰে দ্বক্ষৰ হিচাপে উচ্চাৰিত হ'ব পাৰে।[৭] তাৰে কিছুমান উদাহৰণ তলত দিয়া হ'ল-

ৰ-ত (‿) কাৰ যুক্ত দ্বক্ষ্যৰ ঃ এই ধ্বনি শব্দৰ আদি আৰু মধ্যত থাকিব পাৰে। যেনে ঃ

| | |
|---|---|
| ক্ৰ- /ক্ৰং /শিং | / দাক্ৰা / খৰকৈ |
| খ্ৰ - / খ্ৰি / ছতিয়া | / জাখ্ৰে / যেনেদৰে |
| গ্ৰা - / গ্ৰা / অসময়ত ধৰা ফল | /চাগ্ৰা / ব্যৱহৃত |
| ঘ্ৰ- / ঘ্ৰিম / জংগল | দাঘ্ৰা / মূহুৰ্ততে |
| ছ্ৰ - /ছ্ৰপান / একেলগ ভাজ কৰ | |

ছ্ৰ- /ছ্ৰাং /মামৰ /তাছ্ৰা / স্পৰ্শ

জ্ৰ- /জ্ৰক / নিগৰি পৰ

ত্ৰ - /ত্ৰক / জাপ মাৰ /বাত্ৰা / বাতৰি

থ্ৰ / থ্ৰা / শিৰা, উপশিৰা

দ্ৰ- /দ্ৰা / খহটা /বাদ্ৰা /বাগিছা

প্ৰ - /প্ৰং / ভৰ, উপঙ /ততপ্ৰ / প্ৰকাশ কৰ

ফ্ৰ- /ফ্ৰঙান / বেগাই / আফ্ৰায় / চটফট

ভ্ৰ - / ভ্ৰং ভ্ৰং / উদং, মুকলি

ব্ৰ - /ব্ৰেন / আমূৰা

ম্ৰ- / ম্ৰিক / মসৃণ

**মধ্যস্থানত সংযুক্ত ৰ-ত (৴) কাৰ যুক্ত অন্য অক্ষৰ ঃ** সংক্ষেপে এই ধ্বনি যুক্ত শব্দৰ উদাহৰণ কিছু উল্লেখ কৰা হ'ল। যেনে-

ৰ্ক - / ভূৰ্কা / ভলুকা

ৰ্খ- / বাৰ্খা / জুই, ফিৰিঙতি

ৰ্গ -/ তৰ্গ / গামোচা পিন্ধোতে পিছফালে খুছি লোৱা বান্ধ

ৰ্ঘ - /ঘৰ্ঘুৰা / এবিধ বনৰীয়া ফল, পকিলে জনুকাৰ দৰে শব্দ হয়।

ৰ্চ - /কুৰ্চি / কঁহিয়াৰ

ৰ্ছ - /বাৰ্ছিং / জোনাকী পৰুৱা

ৰ্ত - /ভৰ্তা/ পিটিকা / খৰ্তপ / বাকলি

ৰ্থ - /ফেৰ্থেপ / চেপেটা

ৰ্দ - /আৰ্দি / সেৱা, প্ৰণাম

ৰ্ধ - /মেৰ্ধেনা / ময়লা, বিজল

ৰ্প - /খাৰ্পাক / এবিধ বনৰীয়া গছ।

**ল ধ্বনিৰ যুক্তাক্ষৰ ঃ** মায়তৰি ভাষাত প্ৰায়বোৰ ব্যঞ্জনৰ লগতে ইয়াৰ সংযুক্ত হ'ব পাৰে। যেনে ঃ

ক্ল - / ক্লকান / অটাকৈ / থক্লক / হাৰি মুচি ল

খ্ল - / দাখ্লা / চপৰা চপৰ

গ্ল - /পাগ্লা / পাগল / গ্লকছা / এঢোক

প্ল - / পুপ্লাক / ভৰি পৰ, উপচি পৰ / চাপ্লাক / গোলাকাৰ, গোল

ফ্ল - / জিফ্লাক/নৱজাত শিশুক ব্যৱহাৰ কৰা ফটা কাপোৰ / কনফ্লাক / বাঁহৰ চেপেটা টুকুৰা

ল্ল - / থল্লা / থুপ / দুল্লা / দুবৰি

ম্ল - / হাম্লায়/ হেম্বেলোৰা

লক - / বেলকায় / নৰমখিনি

লত - / বেলতায় / উলটাই দে

লদ - / খালদাক / খাল, আগমান ঠাই-

লব - / গলাবান / গলবন্ধা

লভ / মালভ / মালভোক কল

লহ- / খালহায় / দ মাটিত

**/ম, /ন/, /ঙ / ধ্বনিৰ যুক্তাক্ষৰ ঃ** এই নাসিক্য ধ্বনিবোৰ যুক্তাক্ষৰত পোৱা মায়তৰি ভাষাৰ অন্যতম ব্যঞ্জনধ্বনি। সেইবোৰৰ কিছুমান উদাহৰণ তলত উল্লেখ কৰা হ'ল ঃ

**/ ম / ৰ যুক্তাক্ষৰত পোৱা শব্দ ঃ**

ম + ৰ - / ম্ৰী'কান / সকলো

ৰ + ম - / খেৰমায় / কৃমি, পেলু

ম + ল - / কামলা-ঝামলা / লগুৱা-চগুৱা

ল + ম - / লামপাৰ / বতাহ

ম + ক - / তামকায় / বাদ্য, বাজনা

ক + ম - / ৰুমকায় / ৰন্ধন প্ৰণালী

খ + ম - / হাখম / খিলঞ্জীয়া

ম + ছ - / নেম্‌ছুখাৰে / ভালদৰে, যতনাই

ছ + ম - /ৰাছামবায় / ৰাখোতে

ম + জ - /হামজাৰ / ঝুমখেতি

**/ ন / ৰ যুক্তাক্ষৰত পোৱা শব্দ ঃ**

ৰ + ন - / বের্ণা / বিৰিণা

ন + চ - / তানচা / নথয়, নাৰাখে

ন + ছ - / তাছিনি / হাতৰ

ছ + ন - / খিছান / শীতল

ন + জ - / ৰীনজায় / ৰিজায়

গ + ন - / দগনকায় / উলিওৱা

খ + ন - / হাখান / উই-হাফলু

ব + ন - /ধবন / পলম

ন + থ - / ৰানথাপ / শুকান হ

ন + দ - / বানদালাক / আগচিঙা

**/ ঙ / ৰ যুক্তাক্ষৰত পোৱা শব্দ ঃ**

ঙ + ক - / ছাংকা / খাৰু

ক + ঙ - /ৰাকঙো / কঠিন হ'ব

ঙ + খ - / ছুংখ / শংখ

ঙ + গ - / লাংগ্রে / জোন

ঙ + চ - / ৰাংচা / নিনিয়ে

ঙ + ছ - / মাংছিং / মাংসপেশী

ঙ + জ - / কালাংজি / কেৰেলুৱা

ঙ + ত - / লাংতা / নঙঠা

ঙ + দ - / ভংদংবে / লগপোৱা হ'লে

ঙ + ফ - / ৰিংফায় / পিবলৈ আহ

ঙ + ব - / আংবা / মইও

**২.৩.১ বহু অক্ষৰী শব্দ ঃ**

দুই বা ততোধিক অক্ষৰাধাৰ থাকিলেও বহু অক্ষৰী শব্দ হয়। মায়তৰি ভাষাৰ বহু অক্ষৰী শব্দৰ ধাৰণা কিছু তলত দিয়া হ'ল-

**/ ম / ৰ সংযোগত ঃ**

/ কমব্রেং / ফল-মূল চিঙিবলৈ ব্যৱহাৰ কৰা বাঁহৰ লাঠী।

/ খীমব্রায় / অতি কোমল জালি পাচলি।

/ গামব্রে / গামাৰি

/ তামব্রং /নদী

**/ ন / ৰ সংযোগত ঃ**

/ কানত্রায় / সলাই ল

/ ছ্নথ্রায় / সুমথিৰা

/ মনচ্রায় / মোচৰ

/ চেনচ্রায় / চিঞৰ

/ চন্তলকা / চেং মাছ

/ ছুনথ্রি / আগবঢ়াই দে

**/ ঙ / ৰ সংযোগত বহুআক্ষৰী শব্দ ঃ**

/ ছ্রাঙান / অনুষ্টুপীয়াকৈ, একে কোৰতে

/ জংখলায় / খোঁচৰ, লৰাই দে

/ ত্রিংদাম / পঢ়াশালি

/ জাংব্ৰা / জোৰাই ইত্যাদি।

**২.৩.২ দ্বিত ব্যঞ্জন ঃ** মায়তৰি ভাষাত দ্বিত ব্যঞ্জনৰ সংখ্যা অতি তাকৰ। সাধাৰণতে - কায়, - না, -নো, - নি ইত্যাদি প্ৰত্যয় ক, ন, ম আৰু ঙ কাৰান্ত শব্দ বা ধাতুৰ লগত বদ্ধসন্ধিৰ নিয়মেৰে সংযোগ হওঁতে পোৱা ক্ক, ন্ন, স্ম, ং, ঙ এইকেইটা দ্বিত ব্যঞ্জনে সদৃশ আৰু অভিন্ন পৰিবেশত বিৰোধ ঘটিব পাৰে।[৮] যেনে-

/ কাকায় / আমি

/ কাক্কায় / কামোৰ

/ ৰাকায় / লোৱা

/ ৰাক্কায় / টান

/ খানা / বান্ধিবলৈ

/ খান্না / কাটিবলৈ

/ থনো / সোৱাদ যুক্ত হ'ব

/থন্নো / মেৰিয়াব

/বান্নি / কুলাৰ

/ ৰামা / শুকায়

/ ৰাম্মা / শুকাবলৈ

/ৰাঙা / নিয়ে

/ ৰাংঙা / নিবলৈ

/ ৰুবুং / সাঁচ

/ ৰুবুঙা / সাঁচিবলৈ

তদুপৰি কৃৎ প্ৰত্যয় আৰু তদ্ধিত প্ৰত্যয়ান্ত শব্দ সমূহতো দ্বিত ব্যঞ্জনৰ প্ৰয়োগ হয়। যেনে - / ঝাম্পুৰ / জপোহা

/ ছাম্বা / ৰখোতে

/ৰুবুংকায় / সাঁচতীয়া ইত্যাদি।

তেনেদৰে শ্বসাঘাত পৰা অক্ষৰত কিছুমান ব্যঞ্জন ধ্বনিৰো দ্বিত উচ্চাৰণ হয়। অৱশ্যে এইবোৰৰ প্ৰয়োগত অৰ্থৰ কোনো বিৰোধ নঘটে। যেনে-

/ ছাক্কা / ৰঙা হ

/ থাপ্রায় / চৰিওৱা

/ চাদ্দেল / ডাঠ ইত্যাদি।

আকৌ সমগোত্ৰীয় স্পৃষ্ট ধ্বনিবোৰো মাজে সময়ে যুক্তাক্ষৰৰ দৰে উচ্চাৰিত হয়। যেনে-

/ কাৎচি / থু

/ কাকায় / আমি

/ জাৎচে / মিছা

/ পিৎচি / কনী

/ মাৎছা / বাঘ[৯] ইত্যাদি।

**২.৪ ধ্বনিৰ লয় ঃ**

বাকধ্বনিৰ উচ্চাৰণৰ ফলত কিছুমান সুৰ বা লয়ৰ সৃষ্টি হয়। শব্দ উচ্চাৰণত কেতিয়াবা দুই বা ততোধিক ধ্বনিৰ একে লেঠাৰিয়ে উচ্চাৰণ কৰোতে উচ্চাৰণ লয়যুক্ত হয়। ধ্বনি বৰ্ণৰ নিজা গুণ থকাৰ উপৰিও শব্দ বা বাক্যবোৰত প্ৰয়োগ হওঁতে সিহঁতবোৰে কিছুমান অতিৰিক্ত ধ্বনিগুণ আৰোপ কৰে। এই ধ্বনিগুণকে সাধাৰণতে ধ্বনিৰ লয় বুলিব পাৰি। মায়তৰি ভাষা এক সুৰীয়া ভাষা। সেয়ে সুৰযুক্ত এই ভাষাৰ ধ্বনি লয়ৰ বিশেষ উপাদানবোৰ সূৰৰ দ্বাৰাই পৰিচালিত হয় গতিকে ধ্বনি লয়ৰ নিজস্ব বৈশিষ্টৰে পূৰ্ণ উপাদান- সুৰ, স্বাসাঘাত আৰু সন্ধিৰ বিষয়ে তলত সংক্ষিপ্ত ভাৱে আলোচনা আগবঢ়োৱা হ'ল।

**২.৪.১ সুৰ ঃ**

সুৰ অনুযায়ী শব্দৰ অৰ্থৰ তাৰতম্য ঘটাকেই সুৰ বোলে। সুৰীয়া ভাষা হিচাপে মাইতৰি

ভাষাত প্ৰধানকৈ তিনি প্ৰকাৰৰ সুৰ পোৱা যায়। সেইবোৰ হ'ল-

ক) উচ্চ সুৰ

খ) সম সুৰ

গ) নিম্ন সুৰ

এইবোৰক ভাষাতাত্ত্বিক চিহ্নৰে সূচিত কৰিবলৈ ক্ৰমে উচ্চ সূৰৰ বাবে তীব্ৰতৰ হৈ পৰা উদান্তৰ কূট

( ́ ) দুয়োটাৰ মাজত স্বৰিত কূট (০) আৰু কমি গৈ থকা কূট ( ` ) আদিৰ চিন ব্যৱহাৰ কৰা হয়। উদাহৰণ স্বৰূপে মায়তৰি ভাষাত ভিন্ন সুৰৰ উচ্চাৰিত হোৱা শব্দ কিছুমান তলত উল্লেখ কৰা হ'ল ।

| **উচ্চ / উদাত্ত** | **সম / স্বৰিত** | **নিম্ন ̀/ অনুদাত্ত** |
|---|---|---|
| /ছোঁ / পোৱা | / ছ° / মহ | / ছো̀/ পাচ |
| /ছাৰ্ম/ উৱাল | / ছাম° / ঘাঁহ | / ছা̀ম / ৰখ |
| /চুঁ / কুকৰক মতা শব্দ | / চু°/ ওখ হ | / চু̀/ চৌপলা বান্ধ |
| /তাঁৰি / বৈকেচিদে | / ত°াৰি / তৰি | / তাৰি / বাম মাটি |

সেইদৰে বাক্যৰ ক্ষেত্ৰতো বিভিন্ন সুৰ উচ্চাৰিত হোৱা দেখা যায়। বাক্যৰ এনে উঠা নমা কৰা সুৰকে বাক্যৰ সুৰ বা সুৰ লহৰ বোলা হয়। মায়তৰি ভাষাত সূৰ লহৰ অনুসৰি একোটা বাক্যৰ বিভিন্ন অৰ্থ প্ৰকাশিত হয়। যেনে-

নাং ৰিবানো । (তুমি আহিবা।)

নাং ৰিবানো ? (তুমি আবিবা ?)

নাং ৰিবানো ! (তুমি আহিবা !)

ইয়াত প্ৰথম বাক্যটোৱে আদেশ, দ্বিতীয় বাক্যটোৱে প্ৰশ্ন আৰু তৃতীয় বাক্যটোৱে আশ্চৰ্যৰ ভাৱ প্ৰকাশ কৰিছে।

**২.৪.২ শ্বাসাঘাত ঃ**

মায়তৰি ভাষাত শ্বাসাঘাত সমমাত্ৰাৰ উপৰিও শব্দৰ আদি আৰু অন্ত্য অক্ষৰত তীব্ৰভাৱে

পৰে। যেনে-

চাৰিপাক 〉 চাৰ্পাক

আতাবানা 〉 আতানা

ইছিনিপাৰা 〉 ইম্প্ৰা

কদব্ৰাক 〉 কব্ৰাক

ততপ্ৰ 〉 তপ্ৰ

মুকদাবাৰ 〉 মুকবাৰ ইত্যাদি।

**২.৫ সন্ধি ঃ**

বাক্য আৰু শব্দৰ মাজত ধ্বনিসংযোগ ঘটাকে সন্ধি বোলে। এই ভাষাত সন্ধি তিনি প্ৰকাৰৰ। যেনে-

ক) বদ্ধ বা আভ্যন্তৰীণ সন্ধি।

খ) বহিঃসন্ধি বা যুক্ত সন্ধি।

গ) অন্ত সন্ধি।

উক্ত সন্ধি সমূহৰ বিষয়ে তলত উদাহৰণসহ চমুকৈ আলোচনা কৰা হ'ল।

**২.৫.১ বদ্ধ বা আভ্যন্তৰীণ সন্ধি ঃ**

শব্দৰ লগত থকা ধ্বনিৰ উচ্চাৰণ এটাৰ পৰা অন্য এটালৈ হোৱা সংক্ৰমণকেই বদ্ধ বা আভ্যন্তৰীণ সন্ধি বুলিব পাৰি। যেনে ঃ

/ না / মাছ

/ ৰাকায় / লোৱাটো

/ নাংৰেং / তুমি যোৱা

**২.৫.২ বহিঃসন্ধি বা যুক্ত সন্ধি ঃ**

বাক্যত শব্দসমূহৰ মাজত সংযোগ হোৱা সন্ধিয়েই বহিঃ সন্ধি বা যুক্ত সন্ধি। যেনে -

/ চাবেন ছা / পিছত খা

/ তা-ছা / নাখাবা

/ কান-ছা / গাত লাগ

বহিঃ সন্ধিয়ে সচৰাচৰ শব্দৰ বিৰোধ ঘটাব পাৰে। অৰ্থাৎ এই সন্ধিৰ প্ৰকাৰভেদে একে ধ্বনি সমষ্টিৰে গঠিত বাক্যাংশ বা বাক্যৰ অৰ্থৰ তাৰতম্য হয়। [১০]

/ না থোৱা / মাছ সোৱাদ যুক্ত

/ নাথোৱা / শুৱলা

/ ভান তান / খৰি থ

/ ভান তান / খৰি কাট

সংক্ৰমণ ধ্বনিৰ ভিন্ন গুণ অনুসৰি বহিঃ সন্ধি বা যুক্ত আকৌ তিনিটা ভাগত ভগোৱা হৈছে। যেনে - উন্নত সন্ধি, অৱনত সন্ধি আৰু সমসন্ধি। পৰিবেশ ভেদে এনে প্ৰতিটো সন্ধিয়েই মধ্য সন্ধি বা অন্ত সন্ধি হিচাপে প্ৰয়োগ হয়। মায়তৰি ভাষাত উন্নত আৰু অৱনত সন্ধি সদায় অন্ত আৰু সম সন্ধি সদায় মধ্য হয়।

**২.৫.৩ অন্ত সন্ধি ঃ**

বাক্যত থকা শব্দৰ পিছত বিৰামৰ উপৰিও একো একোটা লয়ৰ অনুভৱ কৰা হয়। সেয়ে শেষত অন্ত সন্ধি হয়। যেনে -

/ কাকেতা / কামুৰিছে

/ খাপেতা / কান্দিছে

/ ছায়তা / খাইছে ইত্যাদি।

**২.৬ অক্ষৰ ঃ**

একেটা হৃদস্পন্দনত উচ্চাৰিত নাদযুক্ত ধ্বনিসমষ্টিয়েই অক্ষৰ। এনে ধ্বনিসমষ্টি মুখৰ ধ্বনিয়ে বিশেষ ভাৱে অপৰিহাৰ্য। সেয়েহে অক্ষৰৰ মুখৰ বা নাদযুক্ত ধ্বনিকে অক্ষৰাধাৰ বোলে।

এটা মাত্ৰ ধ্বনি উচ্চাৰণতো এটা অক্ষৰ হ'ব পাৰে। যেনে - মায়তৰি ভাষাত / অ, ই, উ, এ / ইত্যাদি এক অক্ষৰ ধ্বনি। এনেবোৰ শব্দৰ অক্ষৰাধাৰেই অক্ষৰ হৈছে।

অক্ষৰ যুক্তাক্ষৰ আৰু বদ্ধাক্ষৰ এই দুই প্ৰকাৰৰ হ'ব পাৰে। -য'ত অক্ষৰান্ত স্বৰধ্বনিৰে হয় সি যুক্তাক্ষৰ আৰু য'ত অক্ষৰান্ত ব্যঞ্জন ধ্বনিৰে হয় সেইবোৰেই বদ্ধাক্ষৰ।

পাদটীকাঃ

১। বসন্তকুমাৰ ভট্টাচাৰ্য্য, ভাষাবিজ্ঞানৰ প্ৰবেশ, পৃঃ ১০৬

২। উপেন ৰাভা হাকাচাম, ৰাভা ভাষা আৰু সাহিত্য, পৃঃ ৬৯

৩। গোলক চন্দ্ৰ গোস্বামী, ধ্বনি বিজ্ঞানৰ ভূমিকা, পৃঃ ১১৩

৪। পূৰ্বোক্ত, পৃঃ ১১৪

৫। বসন্ত কুমাৰ ভট্টাচাৰ্য্য, ভাষা বিজ্ঞানৰ প্ৰবেশ, পৃঃ ১০৬

৬। উপেন ৰাভা হাকাচাম, ৰাভা ভাষা আৰু সাহিত্য, পৃঃ ৭৩

৭। পূৰ্বোক্ত, পৃঃ ৭৬

৮। পূৰ্বোক্ত, পৃঃ ৮১

৯। পূৰ্বোক্ত, পৃঃ ৮১

১০। নাহেন্দ্ৰ পাদুন, ভাষাৰ তত্ত্বকথা, পৃঃ ২৬৯

**************